সততে আৰু সকলোৰে লগতে স্বতঃস্ফূৰ্তভাৱে কৰিছিল সৌহাৰ্দপূৰ্ণ ব্যৱহাৰ আৰু আচৰণ। সুদীৰ্ঘ জীৱনকালত সৰু, বৰ, উচ্চ, নীচ সকলোৰে লগত বন্ধুত্বপূৰ্ণ ব্যৱহাৰ কৰি অজাতশত্ৰু হৈ সকলোৰে অপৰিসীম অকৃত্ৰিম শ্ৰদ্ধা, চেনেহ পাবলৈ সক্ষম হ'ল। কোনোবা তেখেতৰ সহায় বিচাৰি কাচিৎহে নিৰাশ হ'বলগীয়া হয়। সুদীৰ্ঘ কাল সান্নিধ্যত থাকিও কাহানিও খং উঠা দেখা নাপালোঁ—গালি-গালাজ কৰা নেদেখিলোঁ। নাতি-নাতিনীখিনিয়েও সেয়ে ককাকৰ লগত আড্ডা মাৰি ভাল পায়। মাক, দেউতাক আৰু আইতাকে হাক দিলে ককাকক শিখণ্ডী কৰি আইছক্ৰিম, বাৰ্গাৰ আদি খাই ফূৰ্তি কৰে। দুয়োজনী বোৱাৰী ৰ'দালি আৰু স্বপ্নালীয়ে পৰম শ্ৰদ্ধা-ভক্তি, আদৰ-যতন কৰাৰ উপৰি সুবিধা বুজি শ্ৰদ্ধাসহকাৰে চুপতিও মাৰে—নাখাবলগীয়া আহাৰ খোৱাৰ পৰা বিৰত কৰে, উপকাৰী আহাৰ ফুচুলাই-মেলি খুৱায়।

উল্লেখযোগ্য যে অভিযোজন আৰু সৌহাৰ্দপূৰ্ণ আচৰণ বৰ্তাই ৰাখিলেও তেখেত আছিল স্পষ্টবাদী। সত্য, শুদ্ধ নাইবা যুক্তিযুক্ত বুলি ভবা মত সততে যুক্তি সহকাৰে দাঙি ধৰিছিল। ঘৰুৱা আৰু ৰাজহুৱা কোনো পৰিস্থিতিতে স্বাৰ্থপৰতাৰে অভিযোজন কৰা নাছিল—আচাৰ-ব্যৱহাৰ, সৌহাৰ্দপূৰ্ণ ব্যৱহাৰ আছিল স্বতঃস্ফূৰ্ত—মন আছিল নিষ্কলুষ, নিষ্পাপ।

### অতুল্য স্মৰণশক্তি

চিৰবৰেণ্য সাহিত্যিকগৰাকীৰ স্মৰণশক্তিয়ে আমাক সচৰাচৰ বিস্ময়াভিভূত কৰি আহিছে। এয়া ঈশ্বৰপ্ৰদত্ত বুলিয়েই ভাবিবলৈ বাধ্য হওঁ যদিও স্ব-চেষ্টাৰ আভাস নোপোৱাকৈও থকা নাই। বিছ-পঁচিছ বছৰৰ পাছতো এবাৰ মাত্ৰ লগ পোৱা ব্যক্তিৰ নাম আৰু ক'ত কেনেকৈ লগ পাইছিল সেই কথা মনত থাকে। ব্যক্তি একোজনক পৰ্যাপ্ত গুৰুত্ব দিলেহে এনে হোৱাটো সম্ভৱ বুলি অনায়াসে বোধ হয়। এবাৰ প্ৰান্তিকতো এজন ব্যক্তিয়ে এই বিষয়ে স্ব-অভিজ্ঞতা ব্যক্ত কৰি চিঠি এখন লিখিছিল নেকি?

### কেইটামান উদ্ধৃতি

প্ৰাতঃস্মৰণীয়গৰাকীৰ দেহাৱসানৰ পৰিপ্ৰেক্ষিতত বাতৰিকাকতত প্ৰকাশিত প্ৰবন্ধ দুটামানত তেখেতৰ ইতিমধ্যে উল্লিখিত গুণ-গৰিমা প্ৰকাশ পাইছে। তলত তাৰে দুটিমান উল্লেখ কৰি শ্ৰীচৰণত সেৱা জনাই এই লেখা সামৰিছোঁ ঃ

ফণীন্দ্ৰ কুমাৰ দেৱ চৌধুৰীয়ে 'জ্ঞান-অৰণ্যৰ ভেমহীন মহীৰূহ' শীৰ্ষক প্ৰবন্ধত লিখিছে—'আমি লিখা-মেলা কৰা বেছিভাগ মানুহেই একো একোটা ভেমৰ টোপোলা লৈ ফুৰোঁ, আমি যেন ফুলাই ফুলাই ফাটোঁ ফাটোঁ হোৱা একোটা ইগ'ৰ বেলুন, আচৰণত এনেকুৱা ভাব ফুটি উঠে যেন বিশ্বব্ৰহ্মাণ্ডৰ জ্ঞান-ভাণ্ডাৰৰ ওপৰত আমাৰ একচেটিয়া অধিকাৰ, বাকীসকলেনো জানে কিটো। এনে এখন জ্ঞানৰ অৰণ্যত লক্ষ্মীনন্দন বৰা এগৰাকী বিৰল আৰু ব্যতিক্ৰম ইগ'হীন, ভেম-অহংকাৰবিহীন মহীৰূহ। তেওঁৰ উচ্চতাক লৈ তেওঁৰ কোনো 'এয়াৰ' নাছিল। কোনো অনুজ লেখক, সাংবাদিক বা তেওঁৰ সংস্পৰ্শলৈ অহা কোনো কম বয়সৰ লোকেই কিজানি কেতিয়াও তেওঁৰ ওচৰত বয়সৰ ব্যৱধান অনুভৱ কৰা নাছিল, নিজৰ প্ৰতিভাক লৈ সংকুচিত হ'বলগীয়া হোৱা নাছিল।" প্ৰখ্যাত চলচ্চিত্ৰ পৰিচালক মঞ্জু বৰাই 'অপ্ৰতিহত' প্ৰবন্ধত লিখিছে—"ইমান প্ৰাণৱন্ত, ইমান আধুনিক, প্ৰখৰ স্মৃতিশক্তিসম্পন্ন, বিভিন্ন বিষয়ত অগাধ পাণ্ডিত্য আৰু সকলোতে নিজা দৃষ্টিভংগী সংপৃক্ত ব্যক্তি খুব কমেই লগ পোৱা যায়। তেওঁক ভালপাওঁ তেওঁৰ স্পষ্টবাদিতাৰ বাবে আৰু সকলো সময়তে সকলো পৰিস্থিতিতে নিজকে খাপ খুৱাই ল'ব পৰা গুণৰ বাবে। শুটিঙৰ সময়ত এদিন দুপৰীয়াৰ আহাৰ খৰখেদাকৈ পাণবজাৰৰ কেণ্টিন জাতীয় ৰেস্তোৰাঁ এখনত খাবলগীয়া হ'ল। খুব সাধাৰণ খোৱা। হাত ধুবলৈ গৈ দেখি অহা ভিতৰখন কিমান লেতেৰা তেওঁ আহি মোক ক'লেহি । কিন্তু তাৰ মাজতো তেওঁৰ সহমৰ্মিতা।" অপূৰ্ব শৰ্মাই 'সুখী, সক্ৰিয়, সৃষ্টিশীল জীৱনৰ সমাপ্তি' শীৰ্ষক লেখাত কৈছে—"তেওঁ খাদ্যৰসিক, সুখী আৰু সদালাপী আছিল। নিজৰ সুস্বাস্থ্য, সক্ৰিয় জীৱন আৰু লেখক জীৱনৰ সফলতা লৈ তেওঁ সন্তুষ্ট আছিল।.....তেওঁক সাহিত্যৰ সপক্ষে সৎ আৰু নিষ্ঠাৱান হোৱা দেখিছোঁ, আনকি বিশেষ প্ৰয়োজনত কঠোৰ সিদ্ধান্তৰ সপক্ষেও তেওঁ সহমত হৈছে। চাৰিওফালৰ ভোগ-লালসা, ছল-চাতুৰী, সুবিধা-দুৰ্বলতাৰ মাজতো সম্ভৱ সোণাইপাৰৰ ল'ৰাজন নিৰৱে সোমাই আছিল।"

ঠিকনা ঃ সঞ্চালক, সম্প্ৰসাৰণ শিক্ষা প্ৰতিষ্ঠান, অসম কৃষি বিশ্ববিদ্যালয়, যোৰহাট-৭৮৫০১৩, ফোন ঃ ৯৬৭৮০০৩৬৭০

# জ্যেষ্ঠ পুত্ৰৰ দৃষ্টিত লক্ষ্মীনন্দন বৰা

**ত্ৰিদিব নন্দন বৰা**

দেউতা যেতিয়া অসম সাহিত্য সভাৰ সভাপতি নিৰ্বাচিত হৈছিল মোৰ কৰ্মস্থলী আছিল অবিভক্ত নগাঁও জিলাৰ হোজাইত। সাংবাদিক বন্ধু শ্যামল ৰয়ে দেউতাৰ বিষয়ে এটা শব্দত উত্তৰ দিবলৈ কোৱাত মই উত্তৰ দিছিলোঁ 'জিনিয়াছ'। সৰুৰে পৰা দেখি আহিছিলোঁ—ৰাতিপুৱাও লিখি থাকে, পঢ়ি থাকে, ৰাতিও লিখি থাকে, পঢ়ি থাকে, স্থিৰ, মগ্ন। লিখাৰ সময়ত মায়ে আমাক দেউতাৰ ওচৰলৈ যাবলৈ নিদিছিল। লিখাৰ সময়ৰ বাহিৰে দেউতা আছিল সদাচঞ্চল। খং-ৰাগ নাই। উঠিলে কিন্তু ৰক্ষা নাই। দেউতাৰ লেখাৰ বিষয়ে দেউতাৰ সাহিত্য অধ্যয়ন কৰা আৰু বিভিন্ন সময়ত লগ পোৱা ব্যক্তিসকলে মোতকৈ বেছি জানিব। মই মাত্ৰ কিছুমান ঘটনাহে ইয়াত লিখিছোঁ। জীৱনৰ বহু খলা-বমা পথ অতিক্ৰম কৰা দেউতাৰ পৰা শিকিছিলোঁ কঠোৰ বাস্তৱৰ সন্মুখীন হ'বলৈ হ'লে ধৈৰ্যৰ প্ৰয়োজন। এই প্ৰসংগত তেখেতে ল'ৰালি আৰু ডেকা কালৰ কিছুমান ঘটনাৰ উল্লেখ কৰিছিল।

সৰুতে মই বৰ উৎপতীয়া আছিলোঁ। সেয়েহে স্কুল বন্ধ থাকিলে দেউতাই মোক সভাবোৰলৈ লৈ যায়। সভাৰ শেষত বহুতে দেউতাক বেৰি ধৰে। হাঁহি মুখেৰে দেউতাই কথা কয়। বুজি নাপাওঁ তেতিয়া। মোক সভাবোৰত চিনাকি কৰি নমস্কাৰ দিবলৈ কয়, এখেত চৈয়দ আব্দুল মালিক, ককা নীলমণি ফুকন, আনন্দ চন্দ্ৰ বৰুৱা, মিত্ৰদেৱ মহন্ত, লীলা গগৈ, নগেন শইকীয়া, উপেন কাকতি, ভূপেন হাজৰিকা, জয়ন্ত হাজৰিকা...। সকলোৰে মোক মৰম কৰে। ডাঙৰ হৈহে বুজিছিলোঁ এখেতসকল কোন। মোৰ পঢ়া-শুনাত মন নাছিল। স্কুলত কোনোবা এজন ছাৰে কৈছিল—"বিখ্যাত সাহিত্যকৰ ল'ৰা, দেউতাৰ নাম ডুবাবি।" ঘৰলৈ আহি আলমাৰিত চকু ফুৰাই দেখোঁ—গঙাচিলনীৰ পাখি, নিশাৰ পূৰবী, বলুকাত বিজুলী, শিখাৰ সুৰভি, মাটিত মেঘৰ ছাঁ, দেৱতাৰ ব্যাধি, নিষিদ্ধ চেতনা, উত্তৰ পুৰুষ...। সকলোতে দেউতাৰ নাম। কেইখনমান পঢ়িলোঁ। দেউতাৰ উত্তৰপুৰুষে দেউতাক চিনি পালে